অধ্যায় ১১ ঃ স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ৩

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ নাটক

১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৫ অধিক জানিবলৈ

১১.৬ অগ্রগতিৰ খতিয়ান

১১.৭ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া নাটকৰ গতিধাৰা সম্পর্কে অৱগত হ'ব
- স্বাধীনতাৰ পৰৱৰ্তীকালত অসমীয়া নাটকলৈ কি কি নতুন ধাৰাৰ আগমন ঘটিল সেই বিষয়ে ধাৰণা লাভ কৰিব
- স্বাধীনতাৰ পৰৱৰ্তীকালত কোন কোন নাট্যকাৰে অসমীয়া নাট্যধাৰাটোক সমৃদ্ধ কৰিলে সেই বিষয়ে জ্ঞান আহৰণ কৰিব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি স্বাধীনতাৰ পৰৱৰ্তীকালৰ অসমীয়া চুটিগল্প সম্পর্কে অধ্যয়ন কৰিলে। এই অধ্যায়টিৰ অধ্যয়নে আপোনাক তদানীন্তন কালৰ অসমীয়া চুটিগল্প সম্পর্কে সম্যক ধাৰণা প্রদান কৰাৰ লগতে কোন কোন গল্পকাৰৰ হাতত অসমীয়া চুটিগল্পই এই সময়ছোৱাত নব্য ৰূপ লাভ কৰিলে সেই বিষয়ে অৱগত হ'ল।

আমাৰ আলোচ্য সময়ছোৱাত অসমীয়া নাটকৰ ক্ষেত্রখনলৈও বহু নতুন নতুন ধাৰাৰ আগমন ঘটিল। নতুন নতুন নাট্যকাৰে ন ন বৈশিষ্ট্যৰে অসমীয়া নাটকক সমৃদ্ধ কৰিলে। এই অধ্যায়টোত সেই দিশবোৰৰ সম্পর্কে আলোচনা কৰিম।

১১.৩ নাটক

বিংশ শতিকাৰ পঞ্চম দশকৰ প্রথম কেইবছৰ অসমীয়া নাটকৰ ক্ষেত্রখনত বৰ বিশেষ পৰিৱর্তন হোৱা নাছিল যদিও জ্যোতিপ্রসাদ আগৰৱালাৰ হাতত অসমীয়া নাটকে এক বিশেষ

মাত্রা লাভ কৰিলে। বিশেষকৈ বাস্তৱবাদী চিন্তাচর্চাৰে, অপূর্ব গীতিময়তাৰে অসমীয়া সামাজিক নাটকৰ ক্ষেত্রখনলৈ তেওঁ নতুন ধল সুমুৱাই আনিলে। ভাৰতবর্ষই স্বাধীনতা লাভ কৰা পাছৰ বছৰটোতেই প্রকাশ পোৱা জ্যোতিপ্রসাদ আগৰৱালাৰ *লভিতা* (১৯৪৮), নগাঁও নাট্য-সমিতিৰ *পিয়লি ফুকন* (১৯৪৮) নাটক দুখনে অসমীয়া নাটকৰ ক্ষেত্রখনক উদ্বেলিত কৰে। শৈলেন ভৰালীৰ ভাষাৰে "স্বাধীনতা লাভৰ ঠিক পাছতেই প্রকাশিত কেইবাখনো নাটকৰ কাহিনী-নির্মাণ, চৰিত্র-সৃষ্টি আৰু উপস্থাপন-পদ্ধতিত গতানুগতিকতা অতিক্রম কৰাৰ চেষ্টা কৰা হ'ল। ইয়াৰে দুটা ভাল উদাহৰণ নগাঁও নাট্য-সমিতিৰ *পিয়লি ফুকন* (১৯৪৮) আৰু জ্যোতিপ্রসাদ আগৰৱালাৰ *লভিতা* (১৯৪৮)।" এই সময়ছোৱাৰ আন এখন উল্লেখযোগ্য নাটক হ'ল সাৰদাকান্ত বৰদলৈ আৰু কৃষ্ণানন্দ ভট্টাচার্যই লিখি উলিওৱা 'মগৰীবৰ আজান' (১৯৪৮)।

স্বৰাজোত্তৰ কালত দেশত সংঘটিত পৰিৱর্তিত ৰাজনৈতিক আৰু সামাজিক পটভূমিত নাটকৰ বিষয়বস্তু আৰু ৰীতিৰ আমূল পৰিৱর্তন ঘটিল। নাট্যকাৰসকলৰ দৃষ্টিভংগীৰ পৰিৱর্তন হ'ল, তেওঁলোক সামাজিক বাস্তৱতাৰ প্রতি অধিক আগ্রহী হৈ উঠিল। দেশে স্বাধীনতা লাভ কৰাৰ আগলৈকে পৌৰাণিক আৰু ঐতিহাসিক নাটকেই অসমৰ মঞ্চ দখল কৰিছিল। স্বৰাজোত্তৰ কালত এই ধাৰা দুটা ক্রমান্বয়ে শীর্ণ হৈ আহিল আৰু তাৰ পৰিৱর্তে সামাজিক নাটকে অধিক প্রাধান্য লাভ কৰিবলৈ ধৰিলে। অৱশ্যে এটা কথা ঠিক যে এই কালছোৱাতো কেইবাখনো উল্লেখযোগ্য পৌৰাণিক আৰু ঐতিহাসিক নাটক ৰচিত হৈছে।

আলোচ্য সময়ছোৱাত পৌৰাণিক নাটকৰ ধাৰাটো প্রায় শুকাই গৈছে বুলিয়েই ক'ব পাৰি। কাৰণ "পৰিৱর্তিত সামাজিক পৰিৱেশৰ পৰিপ্রেক্ষিতত বাস্তৱবোধৰ বিকাশৰ ফলস্বৰূপে পৌৰাণিক নাটকৰ আদৰ নাইকিয়া হ'ল।" অৱশ্যে এই সময়ছোৱাতো কেইখনমান উল্লেখযোগ্য পৌৰাণিক নাটক ৰচনা কৰা হৈছিল। সেই নাটকসমূহৰ নাম— মুক্তিনাথ বৰদলৈৰ *ভক্ত প্রহ্লাদ* (১৯৪৯), সুৰেন্দ্রনাথ শইকীয়াৰ *কর্ণ* (১৯৪৯) আৰু *লক্ষ্মণ* (১৯৪৯) ইত্যাদি। ইয়াৰ পাছৰ পৰা ক্রমান্বেয়ে পৌৰাণিক নাটৰ ধাৰা ক্ষীণ হৈ আহে। অৱশ্যে পৰৱর্তী কালত মহেন্দ্র বৰঠাকুৰে ২০০২ চনত *পিতামহৰ শৰশয্যা* নামেৰে এখন সার্থক পৌৰাণিক নাটক ৰচনা কৰিছে।

এই কালছোৱাত ঐতিহাসিক নাটকৰ ধাৰা এটাও প্রৱাহিত হৈ আছিল। অৱশ্যে এই সময়ত ৰচিত ঐতিহাসিক নাটকত নতুন সামাজিক দৃষ্টিভঙ্গীৰ পোহৰ পৰিল। শৈলেন ভৰালীৰ ভাষাৰে ক'ব পাৰি— "স্বাধীনতাৰ পূর্বৰ সকলো বাধা-নিষেধ আঁতৰ কৰি দিয়াত নাট্যকাৰসকলে ঐতিহাসিক চৰিত্রসমূহক অধিক স্পষ্ট আৰু বলিষ্ঠ ৰূপ দাঙি ধৰাৰ সুবিধা পালে।" ইয়াৰ লগতে বুৰঞ্জীমূলক নাটককো নতুন সামাজিক চিন্তা-চেতনা জগাই তোলাৰ আহিলা হিচাপে ব্যৱহাৰ কৰিবলৈ যত্ন কৰা পৰিলক্ষিত হয়। এক অর্থত ন-ৰূপেৰে ঐতিহাসিক নাটকৰ ধাৰাটো উদ্ভাসিত হৈ উঠে। স্বৰাজোত্তৰ কালত অতুলচন্দ্র হাজৰিকাই *ছত্রপতি শিবাজী* (১৯৪৭), প্রবীণ ফুকনে *মণিৰাম দেৱান* (১৯৪৮) আৰু *লাচিত বৰফুকন* (১৯৪৯), সুৰেন্দ্রনাথ শইকীয়াই *কুশল কোঁৱৰ* (১৯৪৯) ইত্যাদি ঐতিহাসিক নাটক ৰচনা কৰিছিল। প্রসংগক্রমে উল্লেখ্যযোগ্য যে প্রফুল্ল বৰাইও *পিয়লি ফুকন* (১৯৪৮) নামৰ আন এখন নাটক ৰচনা কৰিছিল।

স্বৰাজোত্তৰ কালত বুৰঞ্জীমূলক নাটক লিখাৰ পৰম্পৰাটো পিছে অব্যাহত থাকিল। অৱশ্যে ষাঠিৰ দশকৰ পৰা ৰচিত হোৱা এই শ্ৰেণীৰ নাটকসমূহত ইতিহাসক নতুন দৃষ্টিভংগীৰে লক্ষ্য কৰা পৰিলক্ষিত হয়। নাট্যকাৰসকলে নতুন সামাজিক দৃষ্টিভংগীৰে ইতিহাসক পুনর্নির্মাণ কৰিবলৈ যত্নপৰ হোৱা দেখা যায়। মূলতঃ আহোম যুগীয় সামন্তীয় ধ্যান-ধাৰণাৰ প্ৰতি বিদ্বেষ আৰু ঘৃণা, ভাৰতত আৰম্ভ হোৱা গণ আন্দোলনৰ পটভূমি, স্বাধীনতা ৰণ, দেশপ্ৰেম, বীৰত্ব আদিৰে এই নাটসমূহ সম্পৃক্ত। উদাহৰণস্বৰূপে *পথৰুঘাটৰ ৰণ,* ১৮৯৪ আৰু *জৰৌৰৌৱা পৰজাত* ক্ৰমে পথৰুঘাটৰ কৃষক বিদ্রোহ আৰু মায়ামৰীয়া প্ৰজা বিদ্রোহৰ চিত্ৰ অংকন কৰি সেয়া কেৱল প্ৰজা বিদ্রোহতে সীমাবদ্ধ নাৰাখি একো একোটা শ্ৰেণীৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰাম হিচাপেহে নাট্যকাৰসকলে তুলি ধৰিলে। আব্দুল মালিকৰ *ৰাজদ্রোহী* (১৯৫৬), ফণী শৰ্মাৰ *ভোগজৰা* (১৯৫৭), সত্যপ্ৰসাদ বৰুৱাৰ *জ্যোতিৰেখা* (১৯৫৮), হেম শৰ্মাৰ *কাঞ্চনমালা* (১৯৫৭) ইত্যাদি এই ধাৰাটোৰ উৎকৃষ্ট নিদৰ্শন। ইয়াৰ পাছৰ দশক কেইটাতো অৱশ্যে ছেগা-চোৰোকাকৈ হ'লেও ঐতিহাসিক নাটকৰ ধাৰা প্ৰৱাহিত হৈ থাকিল। উদাহৰণ হিচাপে আমি উল্লেখ কৰিব পাৰোঁ— উত্তম বৰুৱাৰ *বৰ মানুহৰ দোলা* (১৯৬১),*জেৰেঙাৰ সতী* (১৯৬২) আৰু *বৰৰজা ফুলেশ্বৰী* (১৯৭১); যুগল দাসৰ ১৮৫৭ (১৯৬২); সুৰেন ভাগৱতীৰ *গোমধৰ কোঁৱৰ* (১৯৮৪); দ্বিজেন্দ্র মোহন গোস্বামীৰ *গড়মা কুঁৱৰী* (১৯৯০); দিনেশ শৰ্মাৰ *তেজে ধোৱা জালিয়ানৱালাবাগ* (২০০৩); মুনীন ভূঞাৰ *জৰৌৰৌৱা পৰজা* (২০০০) ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ স্বাধীনতাৰ পৰৱর্তীকালত ৰচিত পৌৰাণিক নাটক কেইখনৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ স্বৰাজোত্তৰ কালৰ ষাঠিৰ দশকৰ পৰা ৰচিত হোৱা বুৰঞ্জীমূলক নাটকসমূহৰ মূল বিশেষত্ব কি?

.....

.....

"নতুন জীৱনবোধ আৰু সমাজবোধৰ প্ৰভাৱত লিখা সমস্যামূলক নাটকৰ ধাৰাটিয়েই স্বাধীনতাৰ পৰৱর্তী কালৰ প্ৰধান নাট্য ধাৰাৰূপে পৰিপালিত হৈছে।" সাৰদা বৰদলৈয়ে ৰচনা কৰা *পহিলা তাৰিখ* (১৯৫৪), গিৰীশ চৌধুৰীৰ *মিনা বজাৰ* (১৯৫৮), লক্ষ্যধৰ চৌধুৰীৰ *নিমিলা অংক* (১৯৬৫), ফণী শৰ্মাৰ *কিয়?* (১৯৬১) আদি নাটত নিম্ন মধ্যবিত্ত শ্ৰেণীৰ অর্থনৈতিক সংকট, অর্থনৈতিক অসমতাৰ ফলত সৃষ্টি হোৱা শ্ৰেণীবৈষম্য আদিৰ বাস্তৱ চিত্ৰ একোটা ফুটি উঠিল। সেই সময়ত হিন্দু-মুছলমান আৰু জনজাতীয়লোকৰ সম্প্ৰীতিৰ আদর্শৰে সাৰদাকান্ত

বৰদলৈ আৰু কৃষ্ণানন্দ ভট্টাচার্যই লিখি উলিয়ালে *মগৰীবৰ আজান* (১৯৪৮), লক্ষ্মীধৰ শর্মাৰ গল্পৰ ভেটিত ফণী শর্মাই *চিৰাজ* (১৯৬৭); পাহাৰ-ভৈয়ামৰ সম্প্রীতিক লৈ অৰুণ শর্মাই *জিন্‌টি* (১৯৬২), জনার্দন ঠাকুৰে *ভৈয়ামৰ সেন্দুৰীয়া আলি* (১৯৫৪); শ্রেণীবৈষম্য আৰু নিষ্পেষিতজনৰ সংগ্রামী মনৰ ইংগিতেৰে অৰুণ শর্মাই *উৰুখা পঁজা* (ৰ. ১৯৫২), বানপানীৰ দুর্দশাৰ ভেটিত অভয় ডেকাই *গড়াখহনীয়া* (১৯৫৫); নিবনুৱা সমস্যাক লৈ অমৰ পাঠকে *ইণ্টাৰভিউ* (১৯৫৫) আদি। তাৰ পৰৱর্তী কালৰেপৰা বর্তমানলৈকে ৰচিত কেইখনমান উল্লেখযোগ্য সামাজিক আৰু ৰাজনৈতিক চেতনাযুক্ত নাটক হ'ল— প্রফুল্ল বৰাৰ *সাঁকো* (১৯৬৫); অৰুণ শর্মাৰ *শ্রীনিবাৰণ ভট্টাচার্য* (১৯৬৭), *পৰশুৰাম* (২০০১), *পুৰুষ* (২০০১), *কুকুৰনেচীয়া মানুহ* (২০০১), *অন্য এক অধ্যায়* (২০০১), *অগ্নিগড়* (২০০১), *চিঞৰ* (২০০১), *অদিতিৰ আত্মকথা* (২০০১); অনিল চৌধুৰীৰ *চিৰন্তন* (১৯৫৫); মহেন্দ্র বৰঠাকুৰৰ *জন্ম* (১৯৭৬), *শিপা* (ৰ. ১৯৮২), *পিতামহৰ শৰশয্যা* (ৰ.১৯৮২), *আঁহতগুৰিৰ নতুন বাট* (১৯৭৭), *এই মাটিতে* (ৰ.১৯৮২), *শ'ৰাগুৰি চাপৰি* (১৯৯৮), *দধীচি* (ৰ.১৯৮৫), *মুখ্যমন্ত্রী* (১৯৮৯), *সম্রাট আৰু সুন্দৰী* (ৰ.১৯৮৯), *মাজনিশাৰ চিঞৰ* (১৯৯৬), *বলিয়া হাতী* (১৯৯৬), *বিষ্ণুপ্রসাদ* (২০০০), *সিঁচা পানীৰ মাছ* (২০০১); মুনীন ভূঞাৰ *সন্ধিক্ষণ* (২০০০); অতুল বৰদলৈৰ *বৃক্ষৰ খোজ* (২০০৩); ৰত্ন ওজাৰ *গহ্বৰ* (১৯৬৯); আব্দুল মজিদৰ *চোৰ* (১৯৭২); হিমেন্দ্র কুমাৰ বৰঠাকুৰৰ *বাঘ* (১৯৭১), *দ্বীপ* (১৯৭২) আৰু *মমৰ ঘৰ* (১৯৭২); অৰূপ চক্রৱর্তীৰ *আগমণি* (১৯৭০); অখিল চক্রৱর্তীৰ *উত্তৰ পুৰুষ* (১৯৮০), *আমি স্বপ্নাতুৰ* (২০০০); ৰাম গোস্বামীৰ *মাদল* (২০০৫); ৰফিকুল হোচেইনৰ *ধোঁৱা* (১৯৯৫), *দৈৰকী* (১৯৯৫), *জলাশয়* (১৯৯৫); অজিত মহন্ত *শ্রদ্ধেয় বাইজ* (১৯৮৯) আদি।

ইয়াৰপাছৰে পৰা বিশ্বৰ বিভিন্ন প্রান্তত প্রৱাহিত নাট্য পৰীক্ষাৰ তৰংগ-প্রৱাহে অসমকো চুই গ'ল। সেই বিভিন্ন ধাৰাৰ নাট্য প্রযোজনা অসমত ব্যাপকভাৱে প্রচলন হ'ল যদিও বিশেষ এটা ধাৰাৰ স্থায়ী সাঁচ যুগমীয়া হৈ নুঠিল। ষাঠিৰ দশকত ৰচিত অৰুণ শর্মাৰ *শ্রীনিবাৰণ ভট্টাচার্য* (১৯৬৭), মহেন্দ্র বৰঠাকুৰৰ *জন্ম* (১৯৭৬), হিমেন্দ্র কুমাৰ বৰঠাকুৰৰ *বাঘ* (১৯৭১), অতুল বৰদলৈৰ *বৃক্ষৰ খোজ* (২০০৩) আদি নাটকে অসমীয়া নাট্য প্রৱাহলৈ নতুনত্বৰ বতৰা আনিলে। সত্তৰ দশকত ৰচিত কেইখনমান নাটকত সমাজবাদী আৰু যুক্তিবাদী চিন্তাৰ লগতে চৰিত্রৰ অন্তর্দ্বন্দ্বৰ মনস্তাত্বিক প্রকাশ ঘটাও দেখা যায়।

অসমীয়া নাট্য ক্ষেত্রত ষাঠিৰ দশকতে যি ইংগিতৰ সূচনা হৈছিল সেই বৈচিত্র্য আৰু অভিনৱত্বই সত্তৰ আৰু আশীৰ দশকৰ পৰা এক সুনির্দিষ্ট ৰূপ লাভ কৰে। ইয়াৰ মূলতে আছিল স্বাধীনতাৰ বিষয়ে ভাৰতীয়সকলৰ সপোনৰ মোহভংগ, অর্থনৈতিক অস্বচ্ছলতা, ক্ষোভ, হতাশা আদিৰ প্রকাশ। সেই সময়ত শিক্ষাৰ দ্রুত প্রসাৰৰ বাবেও সমাজত ৰাজনৈতিক সচেতনতা বৃদ্ধি পাবলৈ ধৰে। লগতে ব্যক্তি আৰু সমাজ জীৱনত মূল্যবোধ আৰু গভীৰ জীৱনবোধৰ কৰুণ স্খলন ইত্যাদিয়েও বুদ্ধিজীৱীসকলক যেন চলিত সমাজ ব্যৱস্থাৰ ঠাইত নতুনত্ব প্রৱর্তনৰ কথা সঁকিয়াবলৈ ধৰিলে। সত্তৰ দশকৰ পাছৰ নাটকৰ বিষয়বস্তু ফ্রয়েডীয় মনোবিশ্লেষণৰ মাজতে

সীমাবদ্ধ নাথাকি সমাজ ব্যৱস্থাৰ বাবে সৃষ্টি হোৱা যুৱ-অশান্তি, ক্ষুদ্র ক্ষুদ্র জাতিসত্তাৰ উন্মেষ আৰু সশস্ত্র সংগ্রাম আদিৰ দৰে বিষয়বস্তুয়েও ঠাই পালে।

সত্তৰৰ দশকতে অসমীয়া নাট্য ধাৰাত জার্মান দেশীয় নাট্য মঞ্চত জনপ্রিয় হোৱা 'এপিক থিয়েটাৰে' স্থান পালে। নাট্যকাৰ বার্টল্ট ব্রেখ্‌টে তেওঁৰ নাটকত উপস্থাপন কৌশল হিচাপে এক নতুন ধৰণৰ সম্পৰীক্ষা চলায়। এই নাট্য কৌশলটোক 'এপিক' বা 'মহাকাব্যিক বর্ণনাত্মক কৌশল' বোলা হয়।

> In the 1920s the German playwright Bertolt Brecht identified his plays as epic theatre. By this term Brecht signified primarily his attempt to emulate on the stage the objectivity of epic narrative; his aim was to react the spectators' emotional involvement with the characters and their actions, and so to encourage them to criticize, rather than passively to accept, the social conditions that the play represents.

ব্রেখ্‌টে এই নাট্য কৌশলত কেইটামান গুণ সন্নিবিষ্ট কৰিছিল। সেই কেইটা হ'ল মহাকাব্যৰ বর্ণনাধর্মী ৰচনাৰীতি, বিচ্ছিন্নতা। এই বিচ্ছিন্নতা সমাজ চিন্তাৰ পৰা বিচ্ছিন্নতা নহয়— "মোহ থেকে বিচ্ছিন্নতার কথা বলেছেন তিনি।" ব্রেখ্‌টে তেওঁৰ নাটকত "মঞ্চ আৰু প্রেক্ষাগৃহৰ মাজত থকা কাল্পনিক দেৱালখনো" ভাঙি পেলাইছিল। এই ধাৰাৰ নাটকৰ মাজেদি এক ধৰণৰ বৈপ্লৱিক চিন্তাৰো উন্মেষ ঘটোৱা হয়। সমাজত চলি থকা বিভিন্ন শোষণ-নিষ্পেষণৰ বিৰুদ্ধে দৰিদ্র-আর্তজনৰ সংগ্রামৰ প্রতিচ্ছবি প্রতিফলিত কৰা হয়। এই ধাৰাৰে ৰচিত অসমীয়া নাটকসমূহতো সেই প্রচেষ্টা লক্ষ্য কৰা যায়। এপিক থিয়েটাৰৰ আর্হিৰে লিখা নাটকসমূহৰ ভিতৰত মুনীন শর্মাৰ *সভ্যতাৰ সংকট* (১৯৯০), অৰুণ শর্মাৰ *বুৰঞ্জীপাঠ* (২০০১), অৰুণ গোস্বামীৰ *আজি* (২০০৫), অখিল চক্রৱর্তীৰ *এজন ৰজা আছিল* (১৯৮৫); লিয়াকৎ আলিৰ *মোৰে মলুৱাক কোনে মাৰিলে ৰে* (অ.প্র); প্রমোদ দাসৰ *হনুমান সাগৰ বান্ধা চাঁউ* (১৯৯৫) আদি উল্লেখযোগ্য।

দুটাকৈ বিধ্বংসী যুদ্ধৰ পাছত পশ্চিমীয়া মানুহৰ জীৱনবোধৰ মোহভংগৰ প্রকাশক এক শ্রেণীৰ নাটকৰ সৃষ্টি হ'ল। Martin Esslin-এ সেই শ্রেণীৰ নাটক 'এবছার্ড নাটক' বুলি অভিহিত কৰে। এই নাট্য ধাৰাৰ অন্যতম প্রৱক্তা ক্যেমুৰে এইবিষয়ে কোৱা মন্তব্যটো উল্লেখযোগ্য—

> A world that can be explained by reasoning, however faulty, is a familiar world. But in a universe that is suddenly deprived of illusions and of light, man feels a stranger. His is an irremediable exile, because he is deprived of memories of a lost homeland as much as he lacks that hope of a promised land to come. This divorce between man and his life, the actor and his setting, truly constituted the feeling of Absurdity. (Esslin, 1977, p.23).

এবছার্ড নাটকত এটা নিটোল কাহিনী দেখিবলৈ পোৱা নাযায়। মানুহৰ মনোজগতখন বিক্ষিপ্ত সেয়ে কেতিয়াও এটা সঠিক কাহিনীৰে তাক ব্যক্ত কৰিব নোৱাৰি বুলি এই শ্ৰেণীৰ নাট্যকাৰসকলে বিশ্বাস কৰে। অসাৰ্থক, অযৌক্তিক, সংগতিহীন আৰু আদৰ্শহীন জীৱনৰ এটি নগ্ন পৰিস্থিতি অংকন কৰাই তেওঁলোকৰ উদ্দেশ্য। এবছার্ড নাটকত কাহিনী (বিষয়বস্তু) উপস্থাপনৰ বাবে ধাৰাবাহিক সময়ৰ ফ্ৰেম ভাঙি পেলোৱা হয়। মানুহৰ চেতনাৰ বহুতৰপীয়া প্ৰকৃতি, একে সময়তেই এজন মানুহৰ চেতনাত কেইবাটাও কথাই ক্ৰিয়া কৰি থাকিব পাৰে। সেয়ে মানুহ মানুহৰ মাজত থাকিও একক আৰু নিঃসংগ। কোনেও কাৰো লগত যোগসূত্ৰ স্থাপন কৰিব নোৱাৰে, কাৰণ— প্ৰত্যেকেই নিজৰ নিজৰ আন্তৰিক সময়ত বাস কৰে বুলি তেওঁলোকে বিশ্বাস কৰে। প্ৰধানতঃ দ্বিতীয় বিশ্বযুদ্ধৰ পাছত স্খলন ঘটা মানুহৰ মানৱীয়তাৰ বিপক্ষে এয়া তেওঁলোকৰ বিদ্ৰোহ। সত্তৰ দশকৰ পৰাই অসমীয়া নাট্য ধাৰাত পৰিৱৰ্তনৰ এই নতুন সুঁতিটো বৈ আহিল। জীৱন আৰু সমাজৰ নতুন আদৰ্শ (নাইবা আদৰ্শহীনতা) আৰু প্ৰমূল্য বিচাৰি অসমীয়া নাটকতো অৰুণ শৰ্মাই এনেবোৰ পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰিলে। তেওঁ লিখি উলিয়ালে *আহাৰ* (১৯৬৪) নামৰ নাটকখন। প্ৰসংগক্ৰমে উল্লেখ্যযোগ্য যে এটা সময়ত এবছার্ড শব্দটোৰ সমাৰ্থক শব্দ হিচাপে অসমীয়াত 'উদ্ভট' শব্দটো প্ৰয়োগ কৰা হৈছিল। কিন্তু সাম্প্ৰতিক কালৰ সমালোচকসকলে 'উদ্ভট' শব্দই এবছার্ড (নাটকৰ ক্ষেত্ৰত)ৰ সম্পূৰ্ণ অৰ্থ বহন নকৰে বুলি বিবেচনা কৰি অসমীয়া ভাষাত (আনকি অনেক ভাৰতীয় ভাষাতো) 'এবছার্ড' শব্দকে ব্যৱহাৰ কৰে। *আহাৰ* (১৯৬৪)ৰ লগতে পৰৱৰ্তী কালত ৰচনা কৰা বসন্ত শইকীয়াৰ *মৃগতৃষ্ণা* (১৯৭২), *মানুহ* (১৯৭৭) আৰু *অসুৰ* (১৯৭৭) আদি উল্লেখযোগ্য অসমীয়া এবছার্ড নাটক।

সত্তৰৰ দশকৰ পৰা বৰ্তমানলৈকে কেইবাখনো মনোবিশ্লেষণধৰ্মী নাটকো ৰচিত হৈছে। সেইবোৰৰ ভিতৰত সত্যপ্ৰসাদ বৰুৱাৰ *নায়িকা নাট্যকাৰ* (১৯৭৬), *মৃণাল মাহী* (১৯৭৭); ৰাম গোস্বামীৰ *জীৱন বৃত্ত* (১৯৮০) ইত্যাদি প্ৰণিধানযোগ্য।

ষাঠিৰ দশকত ভাৰতৰ বিভিন্ন প্ৰান্তত আৰম্ভ হোৱা নাটকত লোককলাৰ সমলৰ ব্যৱহাৰে আশীৰ দশকত অসমীয়া নাটকত প্ৰৱেশ কৰিলে। শৈলেন ভৰালীয়ে সেইবাবেই মন্তব্য কৰিছে— "আশীৰ দশকৰ পৰা অসমীয়া নাটকত স্বকীয়তাৰ অন্বেষণ আৰম্ভ হৈছে।" ভাৰতীয় নাট্যকাৰ-পৰিচালকসকলে বিশ্বাস কৰিছিল যে, ভাৰতীয় চিন্তাৰ গভীৰতা আৰু ভাৰতীয় নাটকৰ স্বকীয়তা প্ৰকাশৰ বাবে পাশ্চাত্য নাট্য শৈলীতকৈ মাটিৰ গোন্ধ থকা শৈলী, আংগিক আদিহে উপযুক্ত মাধ্যম। একেই মনোভাব চকুৰ আগত ৰাখি অসমীয়া নাট্যকাৰসকলেও লোককলাৰ বিবিধ সমললৈ দৃষ্টি দিয়ে।

নাট্যকাৰ-পৰিচালকসকলে নাটকত সাধাৰণতে তিনি ধৰণে লোককলাৰ সমল ব্যৱহাৰ কৰে। প্ৰথমতে— কোনো লোকনাট্য বা নাট্য ধৰ্মী অনুষ্ঠানৰ পৰিৱেশন শৈলী ব্যৱহাৰ কৰি নাটক ৰচনা কৰি আৰু তেনেদৰে পৰিৱেশন কৰি, যেনে— ছত্তিশগড়ৰ লোকনাট্য 'নাচ'ৰ আধাৰত হাবিব তনৱিয়ে পৰিৱেশন কৰা *চৰণদাস চোৰ*, ওজাপালিৰ শৈলীত লিখা *মহাৰাজা* (১৯৮৩);

দ্বিতীয়তে— লোকনাট্য শৈলীৰ বাদে লোককলাৰ আন আন সমল (লোকগীত, লোকনৃত্য, লোকসমৰ কলাৰ লগতে লোকভাষা আদি) ব্যৱহাৰ কৰি, যেনে— মণিপুৰৰ ৰতন থিয়ামৰ *চক্রবেহু* (নাটকখনত মণিপুৰী লোকসমৰ কলা 'থাংটা' ব্যৱহাৰ কৰি কৰা পৰিৱেশন কৰা হৈছে), নৱেন পাটগিৰিৰ *দিবাকৰৰ আত্মকথা* (২০০৮) (নাটখন গোৱালপৰীয়া লোকগীতৰ সুৰেৰে সজোৱা হৈছে), প্রমোদ দাসৰ *হনুমান সাগৰ বান্ধা চাঁউ* (১৯৯৫)(নাটখন থিয় নাম আৰু বিয়া নামৰ সুৰ, নৃত্যৰ শৈলীৰ প্রয়োগেৰে লিখা হৈছে); তৃতীয়তে— কোনো লোককাহিনী, জনশ্রুতি, সাধুকথাক বিষয়বস্তু হিচাপে লৈ লোকজীৱনৰ বিবিধ কলাৰে (গীত, নৃত্য, খেল আদিৰে) তুলি ধৰি। যেনে— পৰমানন্দ ৰাজবংশীৰ *কমলা কুঁৱৰী* (২০০০) (কমলা কুঁৱৰীৰ সাধুৰ আধাৰত ৰচিত আৰু বিয়ানাম, দিহানাম আদি বিভিন্ন লোককলাৰ সমল ব্যৱহাৰ কৰি পৰিৱেশন কৰা হৈছিল), বসন্ত দাসৰ *ৰংফাৰপী ৰংবে* (২০০৬) (কাৰ্‌বি লোককাহিনী আধাৰত ৰচিত আৰু ৰবিজিতা গগৈয়ে কাৰ্‌বি গীত, নৃত্য, চলন ভংগিমা আদিৰ ব্যৱহাৰেৰে পৰিচালনা কৰি মঞ্চস্থ কৰিছিল) ইত্যাদি। ওজাপালিকে ধৰি অসমত চর্চা হৈ থকা লোকনাট্য-ধর্মী অনুষ্ঠানবোৰক আধুনিক নাট-নাটকৰ আংগিকৰূপে পৰিৱেশন কৰাৰ পৰীক্ষামূলক প্রয়াস যোৱা শতিকাৰ আশীৰ দশক মানৰ পৰা অবিৰতভাৱে চলি আছে। আধুনিক ভাৰতীয় নাটকত লোককলাৰ আংগিকৰ প্রয়োগে পশ্চিমীয়া প্রভাৱৰ পৰা পৃথক কৰি ভাৰতীয়ত্ব প্রদান কৰিছে। ক'বলৈ গ'লে লোককলাৰ বিবিধ সমলৰ সফল প্রয়োগে ভাৰতীয় থিয়েটাৰ বা ৰাষ্ট্রীয় থিয়েটাৰ ধাৰণাক ভেটি প্রদান কৰিছে। একেটা কথা অসমীয়া আধুনিক নাটকৰ ক্ষেত্রতো প্রযোজ্য। পশ্চিমীয়া প্রছেনিয়াম মঞ্চৰ আর্হিত বা প্রভাৱত *ৰাম-নৱমী নাটকেৰে* অসমীয়া আধুনিক নাটকে সামাজিক সংস্কাৰধর্মী স্বৰূপ এটা ধাৰণ কৰিলেও এনে নাট্য-চর্চাই অসমীয়া নাটক থলুৱা লোকমূলৰ লগত সংযোগ সাধন কৰিব পৰা নাছিল। আধুনিক অসমীয়া নাটকত লোককলাৰ সমলৰ সফল প্রয়োগেহে আঞ্চলিক বা ৰাষ্ট্রীয় পর্যায়ত অসমীয়া নাটকৰ স্বকীয়তাক প্রতিষ্ঠা কৰিলে। সত্তৰ দশকত আৰম্ভ হোৱা চিন্তা-ভাবনা আশীৰ দশকত বাস্তৱায়িত হোৱা দেখিবলৈ পোৱা যায়। ওজাপালি আৰু অংকীয়া ভাওনাৰ আংগিকেৰে ৰচনা কৰা অসমীয়া নাটকে পৰিৱেশনগত দিশত দর্শকৰ পৰা অভূতপূর্ব সঁহাৰি লাভ কৰিবলৈ ধৰে। আলি হাইদৰৰ *ধুমুহা পখীৰ নীড়* (ৰ. ১৯৭৮), যুগল দাসৰ *ৰায়নৰ খোল* (১৯৮২), সতীশ ভট্টাচার্য্যৰ *মহাৰাজা* (১৯৮৩), অখিল চক্রৱর্তীৰ *এজন ৰজা আছিল* (১৯৮৫), অৰুণ শর্মাৰ *বুৰঞ্জীপাঠ* (২০০১) নাটকেইখনত প্রয়োগ কৰা লোককলাৰ সমলৰ ব্যৱহাৰে আধুনিক অসমীয়া নাটকলৈ এক সম্ভাৱনাময় বাতাৱৰণ কঢ়িয়াই আনিলে। এই ধাৰাত ৰচিত আন কেইখনমান কেইখনমান উল্লেখযোগ্য নাটক হ'ল— অখিল চক্রৱর্তীৰ *এজন ৰজা আছিল* (১৯৮৫); বসন্ত শইকীয়াৰ *ভঙুৱা ৰজা*; আনন্দমোহন ভাগৱতীৰ *জতুগৃহ* (অ.প্র); আলি হাইদৰৰ *এখন নিলাজ মানুহৰ দেশ* (১৯৮৮) আৰু *ধুমুহা পখীৰ নীড়* (২০০৮); কৰুণা ডেকাৰ *শৰাইঘাট* (অ.প্র), *শুনা শুনা সভাসদ* (অ.প্র), *চং* (অ.প্র) আৰু *অভিমন্যু* (অ.প্র); পৰমানন্দ ৰাজবংশীৰ *নাঙল, মাটি আৰু মানুহ* (১৯৮৯), *কমলা কুঁৱৰী* (২০০০); প্রমোদ দাসৰ *হনুমান সাগৰ বান্ধা চাঁউ* (১৯৯৫); মুনীন ভূঞাৰ *হাতী আৰু ফান্দি* (২০০০); দীপক মহন্তৰ *উলংগ ৰজা* (অ.প্র); ফণী তালুকদাৰৰ

কুৰুৱাই পাৰে ৰাও (অ.প্র); ৰমণী বর্মণৰ *শ্রম* (অ.প্র); লিয়াকৎ আলিৰ *মোৰে মলুৱাক কোনে মাৰিলে ৰে* (অ.প্র) আৰু *জোনাকে ধোৱা অৰণ্য* (১৯৯৭); সীতানাথ লহকৰৰ *কহয় চণ্ডী দাস* (১৯৯৯) আদি। আশীৰ দশকৰ পৰা এচাম নাট্য কর্মীয়ে অসমৰ চুকে কোণে নিৰলসভাৱে নাটত লোককলাৰ সমলৰ প্রয়োগেৰে নানা ধৰণৰ পৰীক্ষা-সম্পৰীক্ষাত ব্যস্ত হৈ পৰিছে।

এই সময়ছোৱাত আৰু বহু নাট্যকাৰে বিভিন্ন নাটক লিখি অসমীয়া নাট্য সাহিত্যৰ ভঁৰাল চহকী কৰিছে। প্রধান কথাটো হ'ল এই নাটকসমূহৰ অধিকাংশই এতিয়ালৈকে ছপাৰ মুখ দেখা নাই। তদুপৰি দুই এখন নাটক মঞ্চস্থ হোৱাৰ পাছতে বিলুপ্তও হৈ গৈছে। অসমত প্রচলিত ভ্রাম্যমাণ থিয়েটাৰৰ বাবে ভবেন্দ্র নাথ শইকীয়াই *ৰামধেনু, অন্ধকূপ, স্বর্গৰ দুৱাৰ, সমুদ্র মন্থন, শতাব্দী, নীলকণ্ঠ, গধূলি, গহুৰ, দীনবন্ধু* আদিৰ দৰে উৎকৃষ্ট নাটক ৰচনা কৰিছে। ইয়াৰ উপৰি প্রফুল্ল বৰা, জিতেন শর্মা, হেমন্ত দত্তই ভ্রাম্যমাণ থিয়েটাৰৰ বাবে ৰচনা কৰা নাটকসমূহো উল্লেখযোগ্য। অসমৰ বিভিন্ন প্রান্তত হৈ থকা একাংকিকা নাটকৰ প্রতিযোগিতাসমূহেও অসমীয়া নাট্য ধাৰালৈ নতুনত্বৰ বতৰা কঢ়িয়াইছে। তদুপৰি ভিন্ ভিন্ ভাষাৰ বিভিন্ন বিখ্যাত নাটক অসমীয়ালৈ অনুবাদ, অভিযোজনা হৈছে আৰু মঞ্চস্থ হৈ আছে। পৰৱর্তী এটা অধ্যায়ত অনূদিত নাটকসমূহৰ নাম সন্নিৱিষ্ট কৰা হ'ব বাবে ইয়াত উল্লেখ কৰা নহ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সত্তৰৰ দশকৰ পৰা বর্তমানলৈকে লিখা মনোবিশ্লেষণধর্মী নাটক কেইখন কি কি?

.....

.....

.....

প্রশ্ন নং ৪ ঃ ভবেন্দ্র নাথ শইকীয়াই অসমৰ ভ্রাম্যমাণ থিয়েটাৰৰ বাবে লিখা কেইখনমান উৎকৃষ্ট নাটকৰ নাম উল্লেখ কৰক।

.....

.....



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিংশ শতিকাৰ পঞ্চম দশকৰ প্রথম কেইবছৰ অসমীয়া নাটকৰ ক্ষেত্রখনত বৰ বিশেষ পৰিৱর্তন হোৱা নাছিল যদিও জ্যোতিপ্রসাদ আগৰৱালাৰ হাতত অসমীয়া নাটকে এক বিশেষ মাত্রা

লাভ কৰিলে। বিশেষকৈ বাস্তৱবাদী চিন্তাচর্চাৰে, অপূর্ব গীতিময়তাৰে অসমীয়া সামাজিক নাটকৰ ক্ষেত্রখনলৈ তেওঁ নতুন ধল সুমুৱাই আনিলে। ভাৰতবর্ষই স্বাধীনতা লাভ কৰা পাছৰ বছৰটোতেই প্রকাশ পোৱা জ্যোতিপ্রসাদ আগৰৱালাৰ *লভিতা* (১৯৪৮), নগাঁও নাট্য-সমিতিৰ *পিয়লি ফুকন* (১৯৪৮) নাটক দুখনে অসমীয়া নাটকৰ ক্ষেত্রখনক উদ্বেলিত কৰে।

- স্বৰাজোত্তৰ কালত পৌৰাণিক, ঐতিহাসিক আৰু বুৰঞ্জীমূলক নাটকৰো ক্ষীণ ধাৰা এটা প্রৱাহিত হৈ আছে। অৱশ্যে নতুন জীৱনবোধ আৰু সমাজবোধৰ প্রভাৱত লিখা সমস্যামূলক নাটকৰ ধাৰাটিয়েই স্বাধীনতাৰ পৰৱর্তী কালৰ প্রধান নাট্য ধাৰাৰূপে পৰিপালিত হৈছে।
- অসমীয়া নাট্য ক্ষেত্রত ষাঠিৰ দশকতে যি ইংগিতৰ সূচনা হৈছিল সেই বৈচিত্র্য আৰু অভিনৱত্বই সত্তৰ আৰু আশীৰ দশকৰ পৰা এক সুনির্দিষ্ট ৰূপ লাভ কৰে। ইয়াৰ মূলতে আছিল স্বাধীনতাৰ বিষয়ে ভাৰতীয়সকলৰ সপোনৰ মোহভংগ, অর্থনৈতিক অস্বচ্ছলতা, ক্ষোভ, হতাশা আদিৰ প্রকাশ। সেই সময়ত শিক্ষাৰ দ্রুত প্রসাৰৰ বাবেও সমাজত ৰাজনৈতিক সচেতনতা বৃদ্ধি পাবলৈ ধৰে। সেয়ে এই সময়ছোৱাত এপিক নাটক, এবর্ছাড নাটক, লোককলাধর্মী নাটকেও অসমীয়া নাট্য ৰচনাত ঠাই পালে।
- অধ্যায়টিত আলোচ্য সময়ছোৱাত কোনে কোনে কি কি নাটক ৰচনা কৰিছিল তাৰে চমু লেখ এটিও প্রদান কৰা হৈছে।



১১.৫ অধিক জানিবলৈ

১) গোস্বামী, মৃণাল জ্যোতি (2018); *ঐতিহ্যৰ নির্যাস*; গ'গুল প্লে বুক্চ।

২) তালুকদাৰ, ফণী (মুখ্য সম্পা.) (১৯৯৮); *অসমত নাট্য-পৰম্পৰা আৰু গতিধাৰা*; গুৱাহাটী ঃ নটসূর্য ফণী শর্মা সোঁৱৰণী সমিতি।

৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪) বৰুৱা, সত্যপ্রসাদ (১৯৯৪); *আধুনিক নাট্য-চিন্তা*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৫) ভট্টাচার্য, হৰিচন্দ্র (১৯৮৮); *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি (আদিৰ পৰা ১৯৬৭ চন পর্যন্ত)*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৬) ভৰালী, শৈলেন (২০০৮); *অসমীয়া নাটক ঃ স্বৰাজোত্তৰ কাল*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৭) ভৰালী, শৈলেন (১৯৯২); *নাটক আৰু অসমীয়া নাটক*; গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৮) মহন্ত, পোনা (২০০৮); *নাটকৰ ৰং-ৰূপ*; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৯) মহন্ত, পোনা (১৯৯৩); *প্রসংগ নাটক*; গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

১০) ৰাজবংশী, পৰমানন্দ (সম্পা.)(১৯৯২); *অসমীয়া নাটক ঃ পৰম্পৰা আৰু পৰিৱর্তন;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১১) শইকীয়া, অজিৎ (সম্পা.)(২০০৮); *ছশ বছৰৰ অসমীয়া নাটক ঃ পৰম্পৰা আৰু পৰিৱর্তন;* দুলীয়াজান ঃ পথাৰ প্রকাশ।

১২) শর্মা, সত্যেন্দ্রনাথ (২০০৫); *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১৩) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১৪) হাজৰিকা, অতুলচন্দ্র (১৯৯৫); *মঞ্চলেখা;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১১.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ স্বাধীনতাৰ পৰৱর্তীকালত ৰচিত পৌৰাণিক নাটক কেইখনৰ নাম হ'ল— মুক্তিনাথ বৰদলৈৰ *ভক্ত প্রহ্লাদ* (১৯৪৯), সুৰেন্দ্রনাথ শইকীয়াৰ *কর্ণ* (১৯৪৯) আৰু *লক্ষ্মণ* (১৯৪৯) ইত্যাদি। ইয়াৰ পাছৰ পৰা ক্রমান্বেয়ে পৌৰাণিক নাটৰ ধাৰা ক্ষীণ হৈ আহে। অৱশ্যে পৰৱর্তী কালত মহেন্দ্র বৰঠাকুৰে ২০০২ চনত *পিতামহৰ শৰশয্যা* নামেৰে এখন সার্থক পৌৰাণিক নাটক ৰচনা কৰিছে।

২ নং প্রশ্নৰ উত্তৰ ঃ স্বৰাজোত্তৰ কালৰ ষাঠিৰ দশকৰ পৰা ৰচিত হোৱা বুৰঞ্জীমূলক নাটকসমূহৰ মূল বিশেষত্ব হ'ল— ইতিহাসক নতুন দৃষ্টিভংগীৰে লক্ষ্য কৰা। নাট্যকাৰসকলে নতুন সামাজিক দৃষ্টিভংগীৰে ইতিহাসক পুনর্নির্মাণ কৰিবলৈ যত্নপৰ হোৱা দেখা যায়। মূলতঃ আহোম যুগীয় সামন্তীয় ধ্যান-ধাৰণাৰ প্রতি বিদ্বেষ আৰু ঘৃণা, ভাৰতত আৰম্ভ হোৱা গণ আন্দোলনৰ পটভূমি, স্বাধীনতা ৰণ, দেশপ্রেম, বীৰত্ব আদিৰে এই নাটসমূহ সম্পৃক্ত।

৩ নং প্রশ্নৰ উত্তৰ ঃ সত্তৰৰ দশকৰ পৰা বর্তমানলৈকে লিখা মনোবিশ্লেষণধর্মী নাটক কেইখন হ'ল— সত্যপ্রসাদ বৰুৱাৰ *নায়িকা নাট্যকাৰ* (১৯৭৬), *মৃণাল মাহী* (১৯৭৭); ৰাম গোস্বামীৰ *জীৱন বৃত্ত* (১৯৮০), ইত্যাদি।

৪ নং প্রশ্নৰ উত্তৰ ঃ ভবেন্দ্র নাথ শইকীয়াই অসমৰ ভ্রাম্যমাণ থিয়েটাৰৰ বাবে লিখা কেইখনমান উৎকৃষ্ট নাটকৰ নাম হ'ল— *ৰামধেনু, অন্ধকূপ, স্বর্গৰ দুৱাৰ, সমুদ্র মন্থন, শতাব্দী, নীলকণ্ঠ, গধূলি, গহুৰ, দীনবন্ধু* আদি।



১১.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ সুৰেন্দ্ৰনাথ শইকীয়াই ৰচনা কৰা নাটক কেইখনৰ নাম লিখক।

প্ৰশ্ন ২ ঃ অৰুণ শৰ্মাই ৰচনা কৰা প্ৰথমখন নাটকৰ নাম কি?

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ এপিক নাটক সম্পৰ্কে এটি নিবন্ধ লিখক।

প্ৰশ্ন 2 ঃ চমুটোকা লিখক —

(ক) এবছাৰ্ড নাটক

(খ) স্বৰাজোত্তৰ কালৰ সামাজিক নাটক

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ স্বৰাজোত্তৰ কালৰ অসমীয়া নাটকৰ গতিধাৰা সম্পৰ্কে এটি আলচ যুগুত কৰক।

প্ৰশ্ন ২ ঃ এপিক নাটক আৰু এবছাৰ্ড নাটকৰ এটি তুলনামূলক আলোচনা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ স্বৰাজোত্তৰ কালত আৰম্ভ হোৱা নাটকত লোককলাৰ সমল ব্যৱহাৰ কৰি ৰচনা কৰা নাট্যধাৰাটোৰ বিষয়ে বহলাই আলোচনা কৰক।

*** ***** ***